BU/EX/PG/SEM-2/2.05B

**2018**

**ASSAMESE**

**ASM : 2.05 (Option - B)**

**ASSAMESE LYRICAL LITERATURE**

Full Marks : 80

Time : 3 Hours

*The figures in the margin indicates full marks for the questions*

১। উত্তৰ লিখা ঃ                                                                 ১×১০=১০

ক) লোকগীত সমূহক প্ৰধানতঃ কেইটা ভাগত ভগাব পাৰি ?

খ) প্ৰথম অসমীয়া চনেটৰ প্ৰণেতা কোন?

গ) 'In Memoriam' শীৰ্ষক লোকগীতিটোৰ ৰচক কোন?

ঘ) অসমীয়া আধুনিক গানৰ প্ৰণালীবদ্ধ চৰ্চাৰ বাটকটীয়া বুলি কোনগৰাকী ব্যক্তিক কোৱা হয়?

ঙ) প্ৰথম অসমীয়া গানৰ গ্ৰামোফোন ৰেকৰ্ডত কণ্ঠদান কৰা গায়ক গৰাকী কোন?

চ) 'গছে গছে পাতি দিলে'- শীৰ্ষক গীতটো জ্যোতিপ্ৰসাদ আগৰৱালাৰ কোনখন নাটকৰ অন্তৰ্গত?

ছ) 'সোণৰ সোলেং' গীতিনাটিকা খনৰ ৰচক গৰাকীৰ নাম লিখা?

জ) গীতিকাৰ ড° ভূপেন হাজৰিকাৰ আত্মজীৱনী খনৰ নাম লিখা।

ঝ) কেশৱ মহন্তৰ এখন গীতৰ পুথিৰ নাম লিখা।

ঞ) আকাশবাণী গুৱাহাটী কেন্দ্ৰ কোন চনত স্থাপিত হৈছিল?

২। চমুকৈ উত্তৰ লিখা ঃ                                                          ২×৫=১০

ক) শোকগীত (Elegy) বুলিলে কি বুজা?

খ) অনুষ্ঠানমূলক লোকগীত কি? এটি উদাহৰণ দিয়া।

গ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীতৰ দুটা প্ৰধান বিষয়বস্তু উল্লেখ কৰা।

ঘ) লক্ষ্মীৰাম বৰুৱা ৰচিত দুখন গীতৰ পুথিৰ নাম উল্লেখ কৰা।

ঙ) নাটকীয় ত্ৰকোক্তি (Dramatic Monologues) বুলিলে কি বুজা?



PTO

৩। চমুটোকা লিখা (যিকোনো দুটা)ঃ ৫×২=১০

ক) চৰ্যাপদ

খ) কামৰূপী লোকগীত

গ) বিষ্ণুৰাভাৰ গীতত গণমুক্তিৰ চেতনা

ঘ) তফজ্জুল আলীৰ গীতৰ শব্দচয়ন

৪। 'গোৱালপৰীয়া লোকগীত আৰু নাৰী' শীৰ্ষক এটি নিৱন্ধ যুগুত কৰা। ৭

অথবা

বৰগীতৰ প্ৰধান বৈশিষ্ট্যসমূহ উল্লেখ কৰি বৰগীতৰ বিষয়বস্তু সম্পৰ্কে এক চমু আলোচনা আগবঢ়োৱা। ৭

৫। যথাযথ নিদৰ্শনসহ ভূপেন হাজৰিকাৰ গীতত প্ৰতিফলিত প্ৰগতিবাদী আদৰ্শৰ এক চমু অৱলোকন আগৱঢ়োৱা। ৭

অথবা

ভূপেন হাজৰিকাৰ গীতত বিভিন্ন জাতি-জনজাতিৰ ঐক্য আৰু সম্প্ৰীতিৰ চিত্ৰ কেনেদৰে ফুটি উঠিছে নিদৰ্শনসহ আলোচনা কৰা। ৭

**তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা ঃ**

৬। আধুনিক অসমীয়া গীতি সাহিত্যৰ ক্ৰমবিকাশৰ এটি খতিয়ান দাঙি ধৰা। ১২

৭। জ্যোতিপ্ৰসাদ আগৰৱালাৰ "শোণিত কুঁৱৰী' নাটৰ গীতত থলুৱা উপাদানৰ প্ৰয়োগ সম্পৰ্কে এটি নিৱন্ধ যুগুত কৰা। ১২

৮। পাৰ্বতি প্ৰসাদ বৰুৱাৰ গীতত প্ৰকাশিত নৈসৰ্গিক চিত্ৰ সম্পৰ্কে এটি বিশ্লেষণাত্মক আলোচনা আগৱঢ়োৱা। ১২

৯। "প্ৰেম আৰু নাৰী হৃদয়ৰ বিভিন্ন অনুভূতি প্ৰকাশৰ লগতে আশা আৰু প্ৰতিশ্ৰুতিও নিৰ্মলপ্ৰভা বৰদলৈৰ গীতবোৰৰ অন্যতম সম্পদ।" মন্তব্যটি যথাযথভাৱে বিচাৰ কৰা। ১২

১০। "কেশৱ মহন্তৰ বেছিভাগ গীততে এক আশাবাদ আৰু প্ৰতীতিৰ প্ৰকাশ দেখিবলৈ পোৱা য়ায।" মন্তব্যটিৰ সপক্ষে উদাহৰণসহ এক আলোচনা আগবঢ়োৱা। ১২